# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-04-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিলকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত আছে। কাইলৈ নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল পৰ্বৰ সামৰণি পৰিব। জিলা প্ৰশাসনসমূহে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আগতীয়াকৈ সকলো দিশ চোৱাচিতা কৰিছে। ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা দেখিবলৈ পোৱা গৈছে।

অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপিয়ে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিছে। বিজেপিয়ে অগপ, ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি আৰু গণ শক্তিৰে মিত্ৰজোঁট গঠন কৰি আসন্ন পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই নিৰ্বাচনত ৩৯৭ খন জিলা পৰিষদৰ আসনৰ ভিতৰত ৩১৮ খন আসনত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰে ১৭২ খন আসনত মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। গণ শক্তিয়ে জোনাইৰ ৪ খন, মাজুলী আৰু ঢকুৱাখনাত এখনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিয়ে গোৱালপাৰা আৰু দক্ষিণ শালমাৰাত প্ৰতিদ্বন্দ্বিতা কৰিব। এইপৰ্যন্ত মিত্ৰদল অগপক জিলা পৰিষদৰ ৭৩ খন আসন এৰি দিয়া হৈছে। ছখন আসনক লৈ প্ৰাৰ্থী তালিকা এতিয়াও চূড়ান্ত হোৱা নাই।

ইপিনে, ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে আভ্যন্তৰীণ সংঘাতৰ বাবে এতিয়ালৈকে প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিব পৰা নাই।

মৰিগাঁও জিলাত দ্বিতীয় পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি জাগীৰোড সমষ্টিৰ ২৮টা আঞ্চলিক পঞ্চায়ত আৰু ৪টা জিলা পৰিষদৰ বাবে প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। মন্ত্ৰী পীযূষ হাজৰিকাৰ উপস্থিতিত সমদল উলিয়াই প্ৰাৰ্থীসকলে জাগীৰোড সমজিলাৰ কাৰ্যালয় আৰু মায়ং খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত তেওঁলোকৰ মনোনয়ন পত্ৰ দাখিল কৰে।

মানকাচৰ আৰু জৰুৱা বিৰচিং সমষ্টিৰ ৭২টা আঞ্চলিক পঞ্চায়ত আৰু ৮ খন জিলা পৰিষদৰ বাবে বিজেপি আৰু অগপৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। মানকাচৰ সমষ্টিৰ ৪ খন জিলা পৰিষদৰ সদস্য পদৰ বাবে হাটশিঙিমাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি এ আই ইউ ডি এফৰ দুগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

বজালী বিধানসভা সমষ্টিত অগপ-বিজেপিৰ উমৈহতীয়া প্ৰাৰ্থীসমূহৰ নাম আজি প্ৰকাশ কৰা হয়। এই প্ৰাৰ্থীসকলে কাইলৈ বজালী জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰিব বুলি দলীয় সূত্ৰই জানিবলৈ দিছে।

কাছাৰ জিলাতো মন্ত্ৰী কৌশিক ৰায়, সাংসদ পৰিমল শুক্লবৈদ্যসহ কেইবাজনো জ্যেষ্ঠ নেতাৰ উপস্থিতিত আজি বিজেপিৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ২৫ খন জিলা পৰিষদৰ আসনত অগপ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০

অসমবাসী হেঁপাহৰ ৰঙালী বিহুলৈ মাজত তিনিটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণৰ মনত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। উজনিৰ পৰা নামনিলৈ বিহুৰ আখৰা কৰা ডেকাৰ ঢোলৰ গুমগুমনি আৰু নাচনীৰ নাচোনৰ চেৱত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। চৌদিশে পঞ্চায়ত নিৰ্বাচনৰ ব্যস্ততাৰ মাজতে আপোনজনক উপহাৰ দিয়াৰ বাবে জনসাধাৰণে বজাৰসমূহত ভিৰ কৰা পৰিলক্ষিত হৈছে। ইপিনে, ভৌগালিক সূচাংক লাভ কৰা গামোচাৰ চাহিদা বৃদ্ধি হোৱাৰ বিপৰীতে প্ৰশাসনে বহিঃৰাজ্যত প্ৰস্তুত কৰা যন্ত্ৰচালিত শালত প্ৰস্তুত কৰা গামোচাৰ আমদানি ৰোধ কৰাৰ ব্যৱস্থা কৰিছে। ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগে বৰ্হি ৰাজ্যৰ পৰা অহা গামোচাৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। ইয়াৰ পদক্ষেপ হিচাপে আজি গুৱাহাটীৰ খানাপাৰাত অভিযান চলাই ভালেমান গামোচা জব্দ কৰিবলৈ সক্ষম হয়। বাপতিসাহোন ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে।

ইপিনে, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত আৰু জিলা প্ৰশাসনসমূহৰ সহযোগত ৰাজ্যৰ বিভিন্ন ঠাইত অসমী ব'হাগী মেলা-২০২৫ অনুষ্ঠিত হৈছে। ধুবুৰী জিলাৰ গৌৰীপুৰৰ মহামায়া খেলপথাৰত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত অসমী ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। ধুবুৰী জিলাৰ বিভিন্ন আত্মসহায়ক গোট আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকলে এই মেলাত অংশগ্ৰহণ কৰিছে। ওদালগুৰি জিলাৰ জাইখলং মণ্ডল পৰ্যায়ত আজিৰে পৰা ব'হাগী মেলা অনুষ্ঠিত হৈছে। এই মেলাত অঞ্চলটোৰ বিভিন্ন মহিলা সমিতিয়ে প্ৰস্তুত কৰা পিঠাপনা, হস্তশিল্প, বস্ত্ৰ আদি সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত